# PROJECT WORK 2020

## "A Project on Roll of Mid Day Meal in the Government Schools in Mayang"


**STUDENT'S DETAILS**

**HIMADRI DEVI**

MAYANG ANCHALIK COLLEGE

**B.A. 6th Semester**

**Sub : Education(Major)**

**Examination Code: UA-171340**

**Examination Roll No-0058**

**THE SUPERVISOR**

**Reza Shadullah Ahmed**

**Head of the Department**

**(Education Department)**

**Mayang Anchalik College**

**P.O.- Rajamayang**

**Dist.- Morigaon(Assam)**

**Pin- 782411**

## FORMAT FOR EVALUATION OF PROJECT WORK

| | | | |
|---|---|---|---|
| 1. | Name of the student | : | **HIMADRI DEVI** |
| 2. | G.U. Registration No | : | 17078508 of 2017-18 |
| 3. | G.U. Examination Code | : | UA-171340 |
| 4. | G.U. Roll No | : | 0058 |
| 5. | Name of Subject | : | Education(Major) |
| 6. | Session | : | B.A. 6th Semester(2020) |
| | Title of the Procet work | : | " A Project on Roll of Mid Day Meal in the Government Schools in Mayang" |

## EVALUATION OF PROJECT WORK

| Maximum Marks | Awarded Marks |
|---|---|
| | 65 |
| | |
| | |
| | |

25/6/20

# সূচীপত্ৰ


| ক্ৰমিক নম্বৰ | বিষয় বস্তু | পৃষ্ঠা নং |
|---|---|---|
| | প্ৰথম অধ্যায় | ১-১৫ |
| ১ | প্ৰস্তাৱনা | ১-৮ |
| ২ | অধ্যয়নৰ প্ৰয়োজনীয়তা | ৯-১০ |
| ৩ | অধ্যয়নৰ ক্ষেত্ৰ চিনাক্তকৰণ | ১১ |
| ৪ | প্ৰস্তাৱিত প্ৰকল্পৰ বিৱৰণ | ১২ |
| ৫ | বিষয় অধ্যয়নৰ উদ্দেশ্য | ১৩ |
| ৬ | প্ৰস্তাৱিত প্ৰকল্পৰ পৰিসীমা নিৰ্দ্ধাৰণ | ১৪-১৫ |
| | দ্বিতীয় অধ্যায় | ১৬-১৭ |
| ৭ | বিষয়ৰ লগত সংগতি থকা প্ৰসংগ সমল | ১৬-১৭ |
| | তৃতীয় অধ্যায় | ১৮-২১ |
| ৮ | তথ্য সংগ্ৰহৰ পদ্ধতি | ১৮-১৯ |
| ৯ | তথ্য সংগ্ৰহৰ সঁজুলি | ২০-২১ |
| | চতুৰ্থ অধ্যায় | ২২-২৯ |
| ১০ | প্ৰাপ্ত তথ্যৰ বিন্যাস আৰু তাৎপৰ্য নিৰ্ণয় | ২২-২৯ |
| | পঞ্চম অধ্যায় | ৩০-৩৫ |
| ১১ | অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্যৰ বৰ্ণনা | ৩০-৩১ |
| ১২ | পৰামৰ্শৱলী | ৩২ |
| ১৩ | সামৰণি | ৩৩ |
| ১৪ | প্ৰশ্নপত্ৰ | ৩৪ |
| ১৫ | গ্ৰন্থপুঞ্জী | ৩৫ |

# প্ৰথম অধ্যায়

## প্ৰস্তাৱনা

শিক্ষা হৈছে এটা অতি প্ৰণালীবদ্ধ প্ৰক্ৰিয়া। নানা প্ৰকাৰৰ শিক্ষানুষ্ঠান, যেনে - বিদ্যালয়, মহাবিদ্যালয়, দূৰ শিক্ষাৰ প্ৰতিষ্ঠান, বিশ্ববিদ্যালয়, মুক্ত বিশ্ববিদ্যালয় ইত্যাদিৰ সহায়েৰে আমি আমাৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰোঁ। বিদ্যালয়ৰ শিক্ষা নানা প্ৰকাৰৰ বিদ্যালয়ৰ সহায়েৰে প্ৰদান কৰা হয়। নানা বিধৰ আনুষ্ঠানিক আৰু সুকলি পৰিৱেশত যি শিক্ষা প্ৰদান আৰু গ্ৰহণ কৰা হয় তেনে শিক্ষাকে সৰলভাৱে বিদ্যালয় শিক্ষা হিচাপে জনা যায়।

বিদ্যালয় হৈছে এখন সু-সভ্য মিশ্ৰিত জাতিৰ প্ৰতিষ্ঠান। য'ত ধনী-দুখীয়া, উচ্চ-নীচ, জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো জাতিৰ শিশুয়ে সংমিশ্ৰিত হৈ শিক্ষা গ্ৰহণ কৰে। সমাজৰ প্ৰতিজন শিশুক দেশৰ সুস্থ নাগৰিক হিচাপে গঢ়ি তোলাৰ শিক্ষা প্ৰদান কৰে এই বিদ্যালয়তে।

সাধাৰণতে শিশুৰ ৬ বছৰ বয়সৰ পৰা ১০-১১ বছৰ বয়সলৈ বিধিগত আৰু আনুষ্ঠানিক ভাৱে শিক্ষাদানৰ পৰ্যায়ে হৈছে প্ৰাথমিক শিক্ষা। প্ৰাথমিক শিক্ষাই হৈছে আনুষ্ঠানিক শিক্ষাৰ সকলো পৰ্যায়ৰ বুনিয়াদ বা ভেটি স্বৰূপ, এই শিক্ষণ 'প্ৰাথমিক' এইবাবেই যে শিশুক প্ৰথমবাৰৰ বাবে এক

অনুষ্ঠানৰ যোগেদি নীতি নিয়মৰ অনুবৰ্তী কৰি পাঠদান কৰা হয়। এই শিক্ষাত লিখা-পঢ়া মাত্ৰ গণনাৰ জ্ঞান এই স্তৰতে প্ৰদান কৰে।

আমাৰ দেশত প্ৰচলিত হৈ অহা শিক্ষা ব্যৱস্থাৰ আৰ্হি হৈছে ১০+২+৩। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে শিক্ষাৰ এই আৰ্হিটোত অনুমোদন জনাইছিল। ১৯৬৪-৬৬ শিক্ষা আয়োগৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি আৰু ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰস্তাৱ মতে, কেন্দ্ৰীয় উপদেষ্টা বোৰ্ডে ১৯৭৪ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত অধিবেশনত পাঠ্যক্ৰম পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ৰ পৰা সমগ্ৰ দেশতে ১০+২+৩ আৰ্হিৰ শিক্ষা ব্যৱস্থাৰ পাতনি মেলাৰ কথাটোত অনুমোদন জনায়। লাহে লাহে এই আৰ্হিটোৱে শিক্ষাৰ ক্ষেত্ৰত নিজৰ স্থান দখল কৰিবলৈ সক্ষম হয় আৰু এনেকৈয়ে ইয়াক জাতীয় আৰ্হি হিচাপে গ্ৰহণ কৰা হয়।

প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আৰ্হিটো বিচাৰ বিশ্লেষণ কৰি আমি প্ৰাথমিক শিক্ষাত স্তৰটোৰ বিষয়ে ভালদৰে উপলব্ধি কৰিব পাৰো। আনুষ্ঠানিক

শিক্ষাৰ জখলাডালৰ প্ৰথম স্তৰত দুটা চাপ আছে। এই চাপ দুটা হৈছে ৪+ বছৰ, অৰ্থাৎ প্ৰাথমিক শিক্ষাৰ স্তৰ আৰু ৬+ বছৰ, অৰ্থাৎ মাধ্যমিক শিক্ষাৰ স্তৰ। শিক্ষা গাঁথনিৰ ২০ বছৰীয়া স্তৰৰ প্ৰথম ভাগ ৪+ বছৰীয়া পৰ্যায়টো হৈছে প্ৰাথমিক শিক্ষাৰ স্তৰ। ইয়াতে চাৰিটা শ্ৰেণী, অৰ্থাৎ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণী অন্তৰ্ভুক্ত কৰা হৈছে।

২০২০ চনৰ ডিচেম্বৰ মাহত প্ৰস্তুত কৰি উলিওৱা অনুসৰি অসমত আনুষ্ঠানিক শিক্ষাৰ গাঁথনিটো ইতিমধ্যে সলনি কৰি লোৱা হৈছে। নতুন পৰিকল্পনাৰ পাছত চৰকাৰে পঞ্চম আৰু ষষ্ঠ শ্ৰেণীৰ দুটা নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰলৈ স্থানান্তৰ কৰি নতুন গাঁথনিটো অনুসৰণ কৰাৰ বাবে নিৰ্দেশনা প্ৰদান কৰিছে। এই গাঁথনি অনুসৰি ৰাজ্যৰ শিক্ষা প্ৰক্ৰিয়াত পঞ্চম শ্ৰেণীটো প্ৰাথমিক স্তৰলৈ আৰু অষ্টম শ্ৰেণীটো উচ্চ প্ৰাথমিক স্তৰলৈ স্থানান্তৰ কৰা হৈছে।

ইয়াতে কব পাৰি যে এখন সুন্দৰ

যোৱা সমৃদ্ধিশালী দেশ গঢ়ি তোলাৰ বাবে দেশৰ সকলো শ্ৰেণীৰ লোকক প্ৰাথমিক শিক্ষাৰ সুবিধা লাভ কৰা উচিত ।

প্ৰাথমিক শিক্ষা শেষ কৰি শিক্ষাৰ্থীয়ে মাধ্যমিক শিক্ষা গ্ৰহণ কৰে । আমাৰ দেশৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ এটা অতি গুৰুত্বপূৰ্ণ স্তৰ হৈছে মাধ্যমিক শিক্ষাৰ স্তৰ । মাধ্যমিক শিক্ষা হৈছে প্ৰাথমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ মাজৰ শিক্ষাকাল । আন ভাষাত, বিদ্যালয় শিক্ষাৰ প্ৰাথমিক শিক্ষাৰ স্তৰটো বাদ দিলে গোটা স্তৰটোৱেই হৈছে মাধ্যমিক শিক্ষাৰ স্তৰ

আমাৰ দেশত প্ৰচলিত শিক্ষাৰ কাঠামো ভাল বিশ্লেষণ কৰি চালেই মাধ্যমিক শিক্ষাৰ ধাৰণাটো স্পষ্ট হৈ উঠিব । বৰ্তমান শিক্ষা নতুন গাঁথনি, অৰ্থাৎ ১০ + ২ + ৩ ব্যৱস্থাটো আমাৰ দেশত ১৯৬৮ চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দ্বাৰা কাৰ্য ৰূপায়িত কৰা হৈছিল ।

আমি যদিহে ১০+২+৩ আৰ্হিটো বিশ্লেষণ কৰি চাওঁ, তেন্তে আমি দেখিম যে ইয়াৰে প্ৰথম স্তৰটো, অৰ্থাৎ ১০+ বছৰীয়া স্তৰটোত প্ৰধানতঃ দুটা ভাগ আছে। এই ভাগ দুটা হৈছে ৪+ আৰু ৬+ বছৰৰ স্তৰ। ইয়াৰ প্ৰথম স্তৰ, অৰ্থাৎ ৪+ বছৰৰ স্তৰটো হৈছে প্ৰাথমিক শিক্ষাৰ স্তৰ আৰু দ্বিতীয় স্তৰ, অৰ্থাৎ ৬+ বছৰৰ স্তৰটো হৈছে মাধ্যমিক শিক্ষাৰ স্তৰ। অৰ্থাৎ, প্ৰাথমিক শিক্ষাৰ বাবে সময় সীমা হৈছে চাৰি বছৰ আৰু মাধ্যমিক স্তৰৰ বাবে সময় সীমা হৈছে ছয় বছৰ। গাণিতিকভাৱে ৪+৬ = ১০ বছৰীয়া স্তৰটো হৈছে আমাৰ দেশৰ শিক্ষাৰ জখলা ডালৰ প্ৰথম স্তৰ। আনহাতে জখলা ডালৰ দ্বিতীয় স্তৰটো হৈছে দুবছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষাৰ স্তৰ। গতিকে, মাধ্যমিক শিক্ষাৰ স্তৰটো হৈছে প্ৰাথমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ মাজৰ স্তৰ।

শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ যোগেদি বিনামূলীয়া আৰু বাধ্যতামূলক এক ন্যায়সম্মত আইনৰ

বয়সসীমাৰ ভিত্তিত ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে প্ৰাথমিক শিক্ষাৰ বিনামূলীয়া আৰু বাধ্যতামূলক নামভৰ্তি, উপস্থিতি আৰু শিক্ষাৰ সমাপনৰ সুযোগ দিয়া হৈছে।

মধ্যাহ্ন ভোজন আঁচনিখন মূলতঃ শিশুৰ পুষ্টিহীনতাজনিত বিষয়ৰ লগত সম্পৰ্কিত। পুষ্টিহীনতাৰ ফলত শিক্ষা শেষ নকৰাকৈ মাজতে বিদ্যালয় এৰিবলগীয়া হোৱা ঘটনাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰণটো হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালৰ আৰ্থ-সামাজিক দুৰৱস্থা। অসমৰ চৰকাৰী বিদ্যালয়লৈ অহা সৰহ সংখ্যক শিশুৱেই গ্ৰাম্যাঞ্চলত বসবাস কৰা পৰিয়ালৰ। তেওঁলোকৰ প্ৰায় সংখ্যকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ। এই সকল শিশুৰ মাক-দেউতাক দুয়োগৰাকীয়েই হয় পথাৰৰ, নহয় অন্য ঠাইত দিনটোৰ বাবে কাম কৰিবলৈ ওলাই যাবলগীয়া হয়। এনে পৰিস্থিতিত পুৱাতে কিবা এমুঠি মুখত গুজি অথবা নোখোৱাকৈয়ে বিদ্যালয়লৈ আহিব লগা হোৱা শিশুসকলে দিনটো ভোকে লঘোণে লেবেজান হ'বলগীয়া হয়। ভোক ভাগৰৰ সন্মুখীন হোৱা শিশুসকলৰ এই ঘটনাই স্কুল ক্ষতি কৰিবলৈ

বিচাৰে আৰু ইয়াৰ পৰিণতিত অৰ্থাৎ বিদ্যালয় এৰাৰ প্ৰৱণতা বৃদ্ধি পায়।

এনে পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ লক্ষ্য আগত ৰাখি, বিদ্যালয়সমূহত নামভৰ্তিৰ হাৰ বৃদ্ধি কৰাৰ লগতে নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ সমান্তৰাল ভাবে শিশুসকলৰ শাৰিৰীক পুষ্টিৰ মান উন্নত কৰাৰ উদ্দেশ্যে ১৯৯৫ চনৰ ১৫ আগষ্টত কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় পৃষ্ঠপোষকতাত ৰূপায়িত কৰিব খোজা প্ৰাথমিক শিক্ষালৈ পুষ্টি সহযোগীতা সম্পৰ্কীয় ৰাষ্ট্ৰীয় আঁচনি (এন. পি. এন. এছ. পি. ই) খনৰ শুভাৰম্ভ ঘোষণা কৰা হয়।

অৰ্থাৎ আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে মধ্যাহ্ন ভোজনৰ বাবে প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰা আৰু আৱৰ্তক পুঁজি আবণ্টন দিয়া ব্যৱস্থা কৰিব লাগিব। ২০০১ চনত মধ্যাহ্ন ভোজন আঁচনিখনক বন্ধন প্ৰকল্পতে প্ৰস্তুত মধ্যাহ্ন ভোজন আঁচনিৰ ৰূপ দিয়া হয় আৰু ইয়াৰ জৰিয়তে প্ৰতিখন চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ প্ৰাথমিক ছাত্ৰ-ছাত্ৰীক বছৰটোৰ ন্যূনতম ২০০ টা দিনৰ বাবে প্ৰতি দিনে ন্যূনতম ৩০০ কেলৰী আৰু ৮-১২ গ্ৰাম প্ৰটিনযুক্ত প্ৰস্তুত খাদ্য খুওৱাৰ ব্যৱস্থা কৰা হয়।

মধ্যাহ্ন ভোজন আঁচনিয়ে অভিভাৱকসকলক তেওঁলোকৰ শিশুসকলৰ বিদ্যালয়লৈ পঠাবলৈ উৎসাহিত কৰাৰ লগতে শিশুসকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে প্ৰয়োজনীয় পুষ্টি যোগান ধৰিছে বুলি ক'ব লাগিব।

## ২.২: মধ্যাহ্নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব ঃ

মধ্যাহ্ন ভোজন আঁচনিখন হৈছে ভাৰত চৰকাৰৰ দ্বাৰা আগবঢ়োৱা এটা গুৰুত্বপূৰ্ণ আঁচনি (পদক্ষেপ)। 2002 চনৰ ২৮ নৱেম্বৰত তাৰিখে এই আঁচনিখন ভাৰতীয় উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰিছিল। এই আঁচনিখনৰ অধীনত অসম প্ৰত্যেক চৰকাৰী বিদ্যালয়ৰ অন্তৰ্গত প্ৰতিটো শিশুৱে বিনামূলীয়া আৰু পুষ্টিকৰ খাদ্য গ্ৰহণৰ সুবিধা লাভ কৰিছে। শিশুৰ বিকাশ আৰু শৈক্ষিক দিশৰ ক্ষেত্ৰত এই আঁচনিখনে গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছে। মধ্যাহ্ন ভোজন আঁচনিখনৰ জৰিয়তে এটা শিশুৰ সু-ভৱিষ্যত গঠন কৰাত সহায় কৰে। 2016-17 বৰ্ষত প্ৰায় ১২-৪০ লাখ বিদ্যালয়ৰ ১ ম পৰা ৭৮ কোটি শিক্ষাৰ্থীয়ে এই আঁচনিৰ যোগেদি যথেষ্ট উপকাৰিতা লাভ কৰিছে।

মধ্যাহ্ন ভোজনৰ জৰিয়তে হোৱা উপকাৰিতা সমূহ ঃ—

① বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি তথা শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিয়মীয়া কৰা।

② শিশুসকলক পুষ্টিহীনতাজনিত সমস্যাৰ পৰা মুক্ত কৰি

স্কুলীয়া শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰা ।

③ জাতি · কুলৰ মাজত সামাজিকৰণৰ উন্নতি ।

④ শিশুসকলে শাৰীৰিক আৰু মানসিক ভাৱে বিকাশ সাধন কৰা ।

⑤ চাকৰিৰ জৰিয়তে মহিলাসকলৰ ক্ষমতা প্ৰদান কৰা ।

চৰকাৰী বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰা বেছি সংখ্যক শিক্ষাৰ্থীয়ে আৰ্থিক ভাৱে দুৰ্বল পৰিয়ালৰ পৰা অহা। সেয়েহে শৈক্ষিক আঁচনি যেনে সৰ্বভাৰতীয় প্ৰতিমান মিচন আদিৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ আৰ্থিক অসুবিধা সমূহ কিছু ক্ষেত্ৰত সকাহ পাইছে। মধ্যাহ্ন ভোজন আঁচনিয়ে শিশুসকলৰ বিদ্যালয়ত ভৰ্তি কৰিবলৈ আকৰ্ষিত কৰে। অভিভাৱকসকলে তেওঁলোকৰ শিশুসকলৰ সম্পূৰ্ণ আশাৰে বিদ্যালয়লৈ পঠিওৱাৰ ক্ষেত্ৰত এই আঁচনিয়ে বিশেষ উদগনি যোগায়। সেয়েহে মধ্যাহ্ন ভোজন আঁচনিয়ে শিশুসকলক বিদ্যালয়লৈ অনা, দৈনিক উপস্থিতি আৰু শিশুসকলে সঠিক ভাৱে শিক্ষা গ্ৰহণৰ কৰাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব লাভ কৰিছে ।

## ১.২. অধ্যয়নৰ ক্ষেত্ৰ চিনাক্তকৰণ ঃ

অসমৰ মৰিগাঁও জিলাৰ মায়ং গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰজামায়ং গাঁওখন এখন জনবহুল গাঁও। এই গাঁওখনৰ বেছি সংখ্যক মানুহ কৃষি ওপৰত নিৰ্ভৰশীল। শিক্ষাৰ ক্ষেত্ৰত গাঁওখনৰ স্থান মধ্যমীয়া। এই গাঁৱৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩,৭০০ জনতকৈ বেছি। এই গাঁৱৰ লোকসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰা আছিল। যিয়েহে মায়ং গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰজামায়ং গাঁওখনৰ বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ দিশটো অধ্যয়ন কৰিবলৈ ক্ষেত্ৰ চিনাক্তকৰণ কৰা হৈছে।

## ২.৩. প্ৰস্তাৱিত প্ৰকল্পৰ বিৱৰণ ঃ—

নগাওঁ জিলাৰ অন্তৰ্গত ৰজামায়ং গাঁৱৰ বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ বৰ্তমান অৱস্থা জানিবলৈ এই অধ্যয়নটো কৰা হৈছে। এই অধ্যয়নটোৰ দ্বাৰা প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ ব্যৱস্থা, স্কুল বিলাকৰ ভৌতিক অৱস্থা আৰু স্কুলৰ গুণগত মানদণ্ড আদিৰ বিষয়ে দাঙি ধৰা হৈছে। এই বিবৰণসমূহ দাঙি ধৰিবলৈ নিৰ্বাচিত কৰা বিষয়টোৰ নাম ৰখা হৈছে —

"গ্ৰাম্য অঞ্চলৰ বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন।"

## ১.৪. বিষয় অধ্যয়নৰ উদ্দেশ্য :–

এই বিষয়টোৰ অধ্যয়নৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে —

(১) মধ্যাহ্ন ভোজন আঁচনিৰ জৰিয়তে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি পাইছে নে নাই সেই বিষয়ে অধ্যয়ন কৰা।

(২) বিদ্যালয় সমূহত শিক্ষক- শিক্ষয়িত্ৰী সকলৰ শৈক্ষিক যোগ্যতা সম্পৰ্কে অধ্যয়ন কৰা।

(৩) মধ্যাহ্ন ভোজন গ্ৰহণৰ বাবে বিদ্যালয়সমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন হয় নে নহয়।

(৪) প্ৰত্যেকখন বিদ্যালয়তে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আছে নে নাই সেই বিষয়ে অধ্যয়ন কৰা।

(৫) বিদ্যালয় সমূহত শিশুসকলক নিয়মীয়াকৈ পুষ্টিকৰ খাদ্য দিয়া হয় নে নহয় সেই বিষয়ে অধ্যয়ন কৰা।

(৬) বিদ্যালয় সমূহত শিশুসকলৰ শাৰিৰীক, মানসিক, শৈক্ষিক, আবেগিক আদি দিশসমূহৰ বিষয়ে অধ্যয়ন কৰা।

## ২.৬. প্ৰস্তাৱিত প্ৰকল্পৰ পৰিসীমা নিৰ্ধাৰণ ঃ

গৱেষণাধৰ্মী প্ৰকল্পটোৰ কৰ্ম স্থল কোনো এটা বিষয়ৰ পদ্ধতিগত গভীৰ অধ্যয়ন। প্ৰত্যেক বিষয়ৰ পৰিসীমা যাতে ব্যাপক নহয় তাৰ প্ৰতি সতৰ্ক হোৱাটো বাঞ্ছনীয়। গৱেষণাধৰ্মী যিকোনো কাৰ্যত আদায় অধ্যয়নৰ পৰিসীমা আৰু বিষয় অধ্যয়নৰ প্ৰকৃতি দুয়োটা প্ৰথমতেই নিশ্চিত কৰি লোৱাটো প্ৰয়োজন। কাৰণ অধ্যয়নৰ পৰিসীমা আৰু প্ৰকৃতিৰ লগত অধ্যয়নৰ উদ্দেশ্য আৰু লক্ষ্যৰ পূৰ্ণ সংগতি থাকে। এই প্ৰকল্পত উত্থাপিত বিষয়টো যিহেতু বিদ্যালয়ৰ সৈতে জড়িত হোৱাহে, গৱেষকে বজালীয়াং গাৱত স্থিত ৪খন বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ ভূমিকা প্ৰকল্পটোৰ ক্ষেত্ৰ (Field) হিচাপে চিনাক্তকৰণ কৰি লোৱা হৈছে।

বিষয়টো পৰিসীমা নিৰ্ধাৰণ বুলিলে সাধাৰণতে নিৰ্বাচিত বিষয়টোৰ বাবে কেনেধৰণৰ সীমা বান্ধি লোৱা হৈছে সেইটোকে বুজায়। এই প্ৰকল্পটোৰ বাবে তলত দিয়া দিশ কেইটাৰ সীমা বান্ধি লোৱা হৈছে।

(i) এই অধ্যয়নৰ সীমা নিৰ্ধাৰণ কৰা হৈছে কেৱল মৰিগাঁও জিলাৰ অন্তৰ্গত ৰজামায়ং পাৰৰ বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ ভূমিকাৰ ক্ষেত্ৰত।

(ii) এই অধ্যয়নৰ নমুনা হিচাপে ৪ খন বিদ্যালয় নিৰ্বাচন কৰা হৈছে। কাৰণ প্ৰকল্পটো নিৰ্দিষ্ট এটা সময়ৰ ভিতৰত সমাপন কৰিব লাগিব। এই সময়খিনিত অঞ্চলটোৰ গোটেই বিলাক বিদ্যালয় লোৱাটো সম্ভৱ নহয়।

## বিষয়ৰ লগত সংগতি থকা প্ৰসংগ সমূহ

সম্পৰ্কিত অধ্যয়নবোৰৰ পুনৰনিৰীক্ষণ কাৰ্যৰ দ্বাৰা গৱেষকে বৰ্তমানৰ নিৰ্বাচিত অধ্যয়নবোৰৰ লগত সম্পৰ্ক থকা অন্যান্য দিশবিলাক বিচাৰি উলিয়াই নিৰ্দিষ্ট উদ্দেশ্য পূৰণৰ বাবে আগবাঢ়ি যোৱাত সহায়ক হয়।

তাৰোপৰি, এনেধৰণৰ অধ্যয়নে প্ৰস্তাৱিত গৱেষণামূলক বিষয়টোৰ উদ্দেশ্যসমূহ নিৰ্ণয়তো সহায় কৰে। সংক্ষেপতে, প্ৰসংগ সমূহৰ দ্বাৰা গৱেষকে গৱেষণা আগবঢ়াই নিয়াৰ প্ৰয়োজনীয় দিশসমূহ বিচাৰি উলিয়াব পাৰে।

তলত কেইটামান উল্লেখিত বিষয়ৰ প্ৰাসংগিক সম্পৰ্কীত অধ্যয়নৰ বিষয়ে আলোচনা কৰা হ'ল —

① বিদ্যালয়সমূহত মধ্যাহ্ন ভোজন গ্ৰহণৰ বাবে খোৱাৰ কোঠাৰ ব্যৱস্থা নাই যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত খাব লগা হয়। সেয়েহে বিদ্যালয় সমূহত খোৱা কোঠাৰ ব্যৱস্থা কৰাটো যথেষ্ট প্ৰয়োজন।

② বিদ্যালয়সমূহত পুষ্টিকৰ খাদ্য যোগান ধৰা হোৱা নাই। যাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে পুষ্টিকৰ খাদ্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে। সেয়েহে এই বিষয়ে গুৰুত্ব দিব লাগে যাতে সকলো শিক্ষাৰ্থীয়ে পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব পাৰে।

③ শিক্ষাৰ্থী সকলৰ কোনো স্বাস্থ্য পৰীক্ষা কৰা নহয়। বিদ্যালয় সমূহত মাহত এবাৰকৈ হ'লে স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে শিক্ষাৰ্থী সকলে সু-স্বাস্থ্য অধিকাৰী হয় আৰু স্বাস্থ্য ভাল থাকিলে শিক্ষাৰ প্ৰতিও আগ্ৰহী হব পাৰিব।

ওপৰত উল্লেখ কৰা প্ৰসংগ সমূহ-কেইটাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকল্পকৰ্তাই উল্লেখিত সমস্যাটো বিভিন্ন দিশৰে পৰ্যালোচনা কৰি আগবঢ়াই দিবলৈ পৰৱৰ্তি পৰ্যায়ত স্থিতি গ্ৰহণ কৰিছে। সেয়েহে প্ৰকল্পকাৰ্য কৰিবলৈ প্ৰসংগ সমূহৰ প্ৰয়োজনীয়তা যথেষ্ট আছে।

# তৃতীয় অধ্যায়

## তথ্য সংগ্ৰহৰ পদ্ধতি

তথ্য সমূহ বৈজ্ঞানিক পদ্ধতিৰে প্ৰণালীবদ্ধভাৱে সংগ্ৰহ নকৰিলে তথ্যসমূহৰ পৰা সংগ্ৰহ কৰা ফলাফলৰ দ্বাৰা উপযুক্ত, বিশ্বাসযোগ্যতাৰ মূল্যায়ন পোৱাটো সম্ভৱ নহয়। সেয়েহে তথ্যসমূহ সংগ্ৰহ কৰাৰ সময়ত প্ৰণালীবদ্ধ অধ্যয়নৰ পদ্ধতি মানি চলিব লাগে।

### ৩.১ পদ্ধতি ঃ

গৱেষণা প্ৰকল্প এটাৰ বাবে সংগ্ৰহ কৰা তথ্যসমূহৰ বাবে উপযুক্ত অধ্যয়নৰ পদ্ধতি নিৰ্বাচন কৰাটো এটা গুৰুত্বপূৰ্ণ কাম। এই প্ৰকল্পটোত অধ্যয়ন কৰিবৰ বাবে জৰীপ বা চাৰ্ভে পদ্ধতি প্ৰয়োগ কৰা হৈছে। বিভিন্ন বিষয়েৰে এই পদ্ধতিটো সম্পূৰ্ণ কৰা হৈছে। এই পদ্ধতিত গৱেষকে নিজে বিদ্যালয়সমূহৰ মধ্যাহ্ন ভোজনৰ ভূমিকা সম্পৰ্কে জৰীপ বা চাৰ্ভে কৰিবলৈ যাওঁতে প্ৰথমে কিছুমান প্ৰশ্নমালা বাছি লোৱা হৈছিল। প্ৰশ্ন সমূহ হ'ল — বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ শৈক্ষিক যোগ্যতা,

সঁহতা, পৰিচালন পদ্ধতি, নামভৰ্তিকৰণ, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা, মধ্যাহ্ন ভোজনৰ বাবে ৰান্ধনীশালৰ ব্যৱস্থা, বিশুদ্ধ খোৱা পানী ব্যৱস্থা, আদি কাৰ্যসূচীসমূহ বিদ্যালয়ৰ সমস্যাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

ইয়াৰ পিছত গৱেষকে প্ৰস্তুত কৰা প্ৰশ্নসমূহ বিদ্যালয়ৰ বিষয়ববীয়া সকলৰ লগতে বিদ্যালয়ত থকা ছাত্ৰ-ছাত্ৰীসকলৰ লগত সাক্ষাৎকাৰ কৰি বাছি লোৱা প্ৰশ্নবোৰ তেওঁলোকৰ সন্মুখত উপস্থাপন কৰা হয়। তেওঁলোকৰ লগত সাক্ষাৎকাৰ কৰি বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত শিশুসকলে উপযুক্ত সা-সুবিধা পাইছেনে নাই, উপযুক্ত প্ৰতি-পুষ্টিৰ লগতে বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান, কিমানজন শিশুৱে মধ্যাহ্ন ভোজন গ্ৰহণ কৰে, কিমান জন শিশু নিয়মীয়াকৈ বিদ্যালয়লৈ আহে, তেওঁলোকক পুষ্টিকৰ খাদ্য প্ৰদান কৰা হয় নে নহয়, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা আছে নে নাই, স্বাস্থ্য পৰীক্ষা কৰা হয় নে নহয় আদিৰ বিষয়ে অধ্যয়ন কৰা হৈছিল।

## ৩.২. তথ্য সংগ্ৰহৰ আঁহিলা :

গৱেষণামূলক অধ্যয়ন কাৰ্যত তথ্য সংগ্ৰহ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কাম। তথ্য সংগ্ৰহৰ আঁহিলা বুলিলে তথ্য সংগ্ৰহত ব্যৱহাৰ কৰা কিছুমান উপায়কে বুজা যায়। সেই উপায়সমূহ হৈছে :

① প্ৰশ্নপত্ৰ (Questionnaire)

② পৰ্যবেক্ষণ (Observation)

③ সাক্ষাৎকাৰ পদ্ধতি (Interview Method) ইত্যাদি।

তথ্যসংগ্ৰহৰ আঁহিলা সমূহৰ ব্যৱহাৰৰ দ্বাৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি যিকোনো গৱেষণামূলক অধ্যয়নক সফল কৰি তুলিব পাৰি। এই প্ৰকল্পটোৰ বাবে গৱেষকে প্ৰশ্নপত্ৰ, পৰ্যবেক্ষণ, আৰু সাক্ষাৎকাৰ পদ্ধতিক তথ্য সংগ্ৰহৰ উপযুক্ত পদ্ধতি হিচাপে ব্যৱহাৰ কৰিছে।

প্ৰস্তাৱিত অনুসন্ধানটোত প্ৰশ্নপত্ৰক তথ্য সংগ্ৰহৰ এটা কৌশল হিচাপে লোৱা হৈছে। প্ৰশ্নপত্ৰ এমন গৱেষণা-মূলক অধ্যয়নৰ তথ্য সংগ্ৰহৰ জনপ্ৰিয় আহিলা প্ৰশ্নপত্ৰত কিছুসংখ্যক প্ৰণালীবদ্ধ নিৰ্বাচিত প্ৰশ্নাদিয়া থাকে। তথ্য সংগ্ৰহৰ বেলিকা অধ্যয়ন কৰিবলগীয়া সমস্যাটোৰ ক্ষেত্ৰত লক্ষ্য নিৰ্ণয় কৰিব পৰা কিছুমান প্ৰশ্ন নিৰ্বাচন কৰি প্ৰশ্নমালাৰ আকাৰত প্ৰস্তুত কৰি লোৱা হয় আৰু প্ৰশ্নবোৰৰ সহায়ত

অধ্যয়ন কাৰীয়ে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি সেইবোৰৰ মূল্যাংকনৰ আধাৰত অধ্যয়ন সমাধানৰ প্ৰচেষ্টা চলায়।

অধ্যয়ন কৰিবলগীয়া বিষয়বস্তুৰ প্ৰকৃতি অনুসৰি প্ৰশ্নমালাৰ শ্ৰেণীবিভাজন ভিন্ন হোৱাৰ লগতে প্ৰশ্নমালাত অন্তৰ্ভুক্ত প্ৰশ্নসমূহ দুটা ভাগত অন্তৰ্ভুক্ত কৰা হয়। এনে ভাগৰ দুটাৰ ভিতৰত প্ৰথমটো হ'ল (closed form) অৰ্থাৎ বন্ধৰ ভিতৰত উত্তৰ দিয়া আৰু দ্বিতীয়টো হৈছে (open form) অৰ্থাৎ উত্তৰ সমূহ মুকলি মূৰীয়াকৈ দিব পাৰে। গৱেষকৰ এই অধ্যয়নটোত (open form) অৰ্থাৎ মুক্ত প্ৰক্ৰিয়া গ্ৰহণ কৰা হৈছে। ইয়াৰ মুক্ত প্ৰক্ৰিয়াৰ যোগেদি প্ৰশ্নৰ প্ৰকৃতি অনুসৰি উত্তৰ প্ৰদান কাৰীয়ে নিজৰ ইচ্ছামতে এটা নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত উত্তৰ প্ৰদান কৰিব পাৰে।

অধ্যয়ন কৰিবলগীয়া বিষয়বস্তুৰ প্ৰকৃতি, পৰিসৰ আৰু অৱস্থা অনুসৰি নানা দিশে প্ৰশ্ন নিৰ্বাচন কৰি প্ৰশ্নমালা প্ৰস্তুত কৰা হয়। এই অধ্যয়নত 15 টা প্ৰশ্নৰ অন্তৰ্ভুক্তিৰে প্ৰশ্নমালা প্ৰস্তুত কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পৰ বাবে নিৰ্বাচন কৰা প্ৰশ্নমালাখনত কেইবাটাও দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যেনে — নাম ভৰ্তিকৰণ; ছাত্ৰ-ছাত্ৰীৰ অনুপাত, মধ্যাহ্ন ভোজনৰ ৰান্ধনীশালৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা; বিশুদ্ধ খোৱা পানী ব্যৱস্থা, বিভিন্ন আঁচনি আৰু অন্যান্য সা-সুবিধাসমূহ।

# চতুৰ্থ অধ্যায়

## ৪.২: প্ৰাপ্ত তথ্যৰ বিন্যাস আৰু তাৎপৰ্য নিৰ্ণয়ঃ-

প্ৰাপ্ত তথ্য সমূহ সংগ্ৰহৰ বাবে গৱেষকে প্ৰশ্নপত্ৰ ব্যৱহাৰ কৰিছে। এই প্ৰশ্নপত্ৰত থকা এটা এটা প্ৰশ্নৰ প্ৰয়োজন প্ৰতিক্ৰিয়া কৰাৰ পৰা প্ৰতিক্ৰিয়া বা উত্তৰ সংগ্ৰহ কৰিছে। গৱেষকে প্ৰাপ্ত তথ্যবোৰৰ বিন্যাস আৰু তাৎপৰ্য নিৰ্ণয় কৰিবলৈ দুটা পদ্ধতি ব্যৱহাৰ কৰিছে, সেয়া হ'ল —

(i) বৰ্ণনামূলক পদ্ধতি,

(ii) তালিকা পদ্ধতি।

তলত বিদ্যালয় সমূহত থকা ছাত্ৰ-ছাত্ৰী সকলৰ সংখ্যা আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সংখ্যা তালিকা নং-(১)ত বৰ্ণনা কৰি দেখুওৱা হৈছে।

তালিকা নং – ১

ছাত্ৰ-ছাত্ৰী মুঠ শিক্ষক শিক্ষয়িত্ৰী সংখ্যা

| বিদ্যালয়ৰ নাম | ছাত্ৰৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা | সৰ্বমুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | শিক্ষকৰ সংখ্যা | শিক্ষয়িত্ৰীৰ সংখ্যা | সৰ্বমুঠ শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা |
|---|---|---|---|---|---|---|
| ১. ৰজা মাময় বালিকা প্ৰাথমিক বিদ্যালয় | ৩৮ | ৩৭ | ৭৫ | ১ | ২ | ৩ |
| ২. খাদুমপাৰ প্ৰাথমিক বিদ্যালয় | ১৯ | ২৮ | ৪৭ | ২ | × | ২ |
| ৩. স্বৰ্গীয় ৰবিচন্দ্ৰ গগৈ এল. পি. স্কুল | ১৪ | ১৭ | ৩১ | ২ | × | ২ |
| ৪. মনোমতী প্ৰাথমিক বিদ্যালয় | ১৪ | ১৪ | ২৮ | ২ | ২ | ৪ |

ফলাফল

২ নং তালিকাত ৪ খন বিদ্যালয়ৰ সৰ্বমুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু সৰ্বমুঠ শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা দেখুওৱা হৈছে।

এই তালিকাখনত সংগ্ৰহ কৰা তথ্য সমূহৰ পৰা গৱেষকে নিৰ্ণয় কৰিব পাৰিছে যে চাৰিখন বিদ্যালয়তে যথাক্ৰমে ল'ৰা-ছোৱালী একেলগে পঢ়ে। আৰু ইয়াৰে কোনোবা খন স্কুলত ল'ৰাতকৈ ছোৱালী সংখ্যা বেছি আৰু কোনোবা খন স্কুলত ছোৱালীতকৈ ল'ৰা সংখ্যা বেছি।

এই তালিকাখনত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ পৰিমাণ অনুসৰি শিক্ষক-শিক্ষয়িত্ৰী কম-বেছি হোৱা দেখা গৈছে।

বিদ্যালয়ৰ সাপ্তাহিক খাদ্যৰ তালিকা

| বিদ্যালয়ৰ নাম | সোম বাৰ | মঙ্গল বাৰ | বুধ বাৰ | বৃহস্পতি বাৰ | শুক্ৰ বাৰ | শনি বাৰ |
|---|---|---|---|---|---|---|
| ১. বৰা মামৰ বালিকা প্ৰাথমিক বিদ্যালয় | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | খিচিৰি |
| ২. খাদুপাৰ প্ৰাথমিক বিদ্যালয় | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | খিচিৰি |
| ৩. স্বৰ্গীয় হৰিচন্দ্ৰ গগৈ এল. পি. স্কুল | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | খিচিৰি |
| ৪. মনোমাটি প্ৰাথমিক বিদ্যালয় | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | দাইল - ভাত | খিচিৰি |

ফলাফল,

২ নং তালিকাত দেখুওৱা হৈছে যে, বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত সপ্তাহত কি কি খাদ্য খাবলৈ দিয়া হয়। বিদ্যালয় সমূহলৈ গৈ শিক্ষক- শিক্ষয়িত্ৰী সকলক সাক্ষাৎকাৰ কৰি পোৱাৰ তথ্য মতে শিশু সকলক সপ্তাহৰ ৫ দিন দাইল-ভাত খোৱা হয় আৰু ২ দিন খিচিৰি প্ৰদান কৰা হয়। শিশুসকলে উপযুক্ত পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব নোপাৰে।

তালিকা নং — ৩

বিদ্যালয় সম্পৰ্কত অৱস্থা বিদ্যমান সা-সুবিধা

| বিদ্যালয়ৰ নাম | ছাত্ৰ-ছাত্ৰী সকল সদায় স্কুললৈ আহে নে | নিয়মীয়াকৈ মধ্যাহ্ন ভোজন দিয়ে নে | বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা আছে নে | প্ৰতিজন শিক্ষাৰ্থীয়ে মধ্যাহ্ন ভোজন গ্ৰহণ কৰে নে | মধ্যাহ্ন ভোজনৰ বাবে বান্ধনী শালত ব্যৱস্থা আছে নে | বান্ধনীশাল স্থান পৰিষ্কাৰ-পৰিচ্ছন্ন হয় নে | মধ্যাহ্ন ভোজনৰ বান্ধনী কেইগৰাকী আছে |
|---|---|---|---|---|---|---|---|
| ১. বজা মায়ং বালিকা প্ৰাথমিক বিদ্যালয় | ✓ | ✓ | ✓ | ✓ | ✓ | ✓ | ২ |
| ২. হাদুপাৰ প্ৰাথমিক বিদ্যালয় | ✓ | ✓ | ✓ | ✓ | ✓ | ✓ | ২ |
| ৩. স্বৰ্গীয় হৰিচন্দ্ৰ গগৈ এল. পি. স্কুল | ✓ | ✓ | ✓ | ✓ | ✓ | ✓ | ২ |
| ৪. মনোমতী প্ৰাথমিক বিদ্যালয় | ✓ | ✓ | × | ✓ | ✓ | ✓ | ২ |

ফলাফল

৩ নং তালিকা সমূহৰ পৰা দেখা যায় যে, ৰঙামাময়ং গাঁৱৰ মধ্যাহ্ন ভোজন প্ৰদান কৰা চৰকাৰী বিদ্যালয় কেইখন সম্পৰ্কে প্ৰস্তুত কৰা প্ৰশ্ন পত্ৰ সমূহত থকা প্ৰশ্নকেইটাৰ মোটামুটি কেইটা নীতি - নিয়ম সঠিক ভাৱে পালন কৰা দেখা যায়। কিন্তু সমোমাটি প্ৰাথমিক বিদ্যালয়সমূহৰ কিছু সমস্যা দেখা পোৱা যায়। এই বিদ্যালয়সমূহত শিশু সকলক খোৱাৰ বাবে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা নাই। তেনেকৈ বিদ্যালয় সমূহৰ প্ৰধান শিক্ষক - শিক্ষয়িত্ৰী সকলক সাক্ষাৎকাৰ কৰি পোৱা তথ্যৰ মতে চৰকাৰে নিয়মীয়াকৈ পুষ্টিকৰ খাদ্যৰ যোগান ধৰা নাই যাৰ ফলত শিশু সকলে এই পুষ্টিকৰ খাদ্যৰ পৰা বঞ্চিত হৈছে। বাকী দিশৰ পৰা গোটেই কেইখন বিদ্যালয়তে শিশু সকলে সকলো দিশৰ সা-সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে।

গোটেই কেইখন বিদ্যালয়তে দুগৰাকী ৰান্ধনী আছে। প্ৰতিকে ছাত্ৰ-ছাত্ৰী সকলে তাহাৰ

গ্ৰহণৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নহয়। ৰান্ধনী শালৰ ব্যৱস্থা যথেষ্ট ভাল আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিয়মিয়া খাদ্য গ্ৰহণ কৰে

শেষত কব পাৰি যে, গাঁও অঞ্চলৰ এই বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ভূমিকা। প্ৰতি যাতে চৰকাৰে উক্ত যোজনা কৰি শিশু সকলৰ বাবে পুষ্টিকৰ খাদ্য যোগান ধৰাত সহায় কৰে।

## পঞ্চম অধ্যায়

## অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্যৰ বৰ্ণনা

এই প্ৰকল্পটো অধ্যয়নৰ মূল উদ্দেশ্য হৈছে গাঁও অঞ্চলৰ বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰা। বৰ্তমান সময়ত শিশু সকলৰ পুষ্টিকৰ খাদ্য প্ৰদানৰ ক্ষেত্ৰত কেন্দ্ৰৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু শিশু সকলৰ শিক্ষা প্ৰতি কেন্দ্ৰৰণৰ গুৰুত্ব প্ৰদান কৰিছে যোৱা এক চাৱলগীয়া বিষয়। যেনেহে এই বিষয়ে অধ্যয়ন কৰিবৰ বাবে আমেমকে গাঁও অঞ্চলৰ ৪খন বিদ্যালয় বাছি লৈছিল।

বিদ্যালয় সমূহৰ পৰা মধ্যাহ্ন ভোজনৰ ভূমিকা সম্পৰ্কে কিছু তথ্য আমেমকে সংগ্ৰহ কৰিছিলে। বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ভূমিকা সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবৰ বাবে প্ৰশ্নাৱলী আৰু জৰীপ পদ্ধতি প্ৰয়োগ কৰা হৈছিল।

বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ ভূমিকা [illegible] জৰীপ কৰাৰ পিছত সংগ্ৰহীত তথ্য সংগ্ৰহ বিশ্লেষণ ক[illegible] দেখা গ'ল যে, গাঁও অঞ্চলৰ বিদ্যালয়সমূহৰ [illegible] মধ্যাহ্ন ভোজনৰ ব্যৱস্থা নিয়মিত। বিদ্যালয়সমূহত শিশু [illegible] উপযুক্ত পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব পৰা নাই।

পঞ্চম অধ্যায়

## অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্যৰ বৰ্ণনা

এই প্ৰকল্পটো অধ্যয়নৰ মূল উদ্দেশ্য হৈছে গাঁও চহৰৰ বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰা। বৰ্তমান সময়ত শিশু সকলৰ পুষ্টিকৰ খাদ্য প্ৰদানৰ ক্ষেত্ৰত কেন্দ্ৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু শিশু সকলৰ শিক্ষা প্ৰতি কেন্দ্ৰৰ গুৰুত্ব প্ৰদান কৰিছে সেয়া এক চাবলগীয়া বিষয়। সেয়েহে এই বিষয়ে অধ্যয়ন কৰিবৰ বাবে আমি গাঁও চহৰৰ ৪খন বিদ্যালয় বাছি লৈছিল।

বিদ্যালয় সমূহৰ পৰা মধ্যাহ্ন ভোজনৰ ভূমিকা সম্পৰ্কে কিছু তথ্য আমি সংগ্ৰহ কৰিছিলো। বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ভূমিকা সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবৰ বাবে প্ৰশ্নাৱলী আৰু জৰীপ পদ্ধতি প্ৰয়োগ কৰা হৈছিল।

বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ ভূমিকাৰ বিষয়ে জৰীপ কৰাৰ পিছত সংগৃহীত তথ্য সংগ্ৰহ বিশ্লেষণ কৰি দেখা গ'ল যে, গাঁও চহৰৰ বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা নিয়মিত। বিদ্যালয়সমূহত শিশু সকলে উপযুক্ত পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব পৰা নাই।

সাৰাংশ,

নামভৰ্তিকৰণৰ ক্ষেত্ৰত কব পাৰি যে, এই বিদ্যালয় সমূহত দুখীয়া বা মধ্যবিত্ত শ্ৰেণীৰ শিশু সকলক শিক্ষা গ্ৰহণৰ সুবিধা দিয়া দেখা যায়। এই শিক্ষা সম্পূৰ্ণ বিনামূলীয়া। চৰকাৰে বিদ্যালয় সমূহত খাদ্যৰ প্ৰদান কৰিছে যদিও উপযুক্ত পুষ্টিকৰ খাদ্য সকলো বিদ্যালয়তে প্ৰদান কৰিব পৰা নাই। খাদ্যৰ যোগানৰ ক্ষেত্ৰত গাঁও অঞ্চলৰ বিদ্যালয় সমূহৰ ক্ষেত্ৰত শোচনীয় দেখা যায়। উপযুক্ত পুষ্টিকৰ খাদ্য যোগান ধৰিব পৰা নাই।

শেষত কব পাৰি যে গাঁও অঞ্চলৰ বিদ্যালয় সমূহৰ মধ্যাহ্ন ভোজনৰ ভূমিকা ক্ষেত্ৰত কম-বেছি পৰিমাণে সুবিধা লগতে অসুবিধা দেখা যায়।

# পৰামৰ্শাৱলী

এই প্ৰকল্পটো অধ্যয়নৰ পৰা এইটো জানিব পাৰি যে, বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত গাঁও অঞ্চলত বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। সেয়েহে এই সমস্যা সমূহ সমাধানৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই বিদ্যালয়সমূহৰ উন্নয়নৰ বাবে কেইটামান পৰামৰ্শাৱলী আগবঢ়োৱা হ'ল—

১) বিদ্যালয় সমূহত মধ্যাহ্ন ভোজন গ্ৰহণ কৰিবৰ বাবে সুকীয়া হোৱা কোঠাৰ অভাৱ পৰিলক্ষিত হয়। এই অভাৱ পূৰণৰ বাবে চৰকাৰে পৰিদৰ্শন কৰি উপযুক্ত ব্যৱস্থা প্ৰদান কৰিব লাগে।

২। শিশুসকলৰ দৈহিক, মানসিক, শাৰীৰিক বিকাশৰ বাবে উপযুক্ত পুষ্টিকৰ আহাৰৰ প্ৰয়োজন। গতিকে চৰকাৰে বিদ্যালয় সমূহত পুষ্টিকৰ খাদ্য যোগান ধৰিব লাগে।

৩। মধ্যাহ্ন ভোজন গ্ৰহণৰ বাবে উপযুক্ত থাল-বাটি যোগান ধৰিব লাগে। কাৰণ শিক্ষাৰ্থী সকলে দৈনিক যোৱা অহা থাল-বাটি ধৰিব পৰা লৈ অহাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক কষ্টৰ সন্মুখীন হয়।

৪। বিদ্যালয় সমূহত বৈষয়িক সম্পদৰ অভাৱ পৰিলক্ষিত হয়। এই অভাৱ পূৰণৰ বাবে চৰকাৰে পৰিদৰ্শন কৰি সাহায্য প্ৰদান কৰিব লাগে।

# আমৰণি

বৰ্তমান সময়ত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অতি জৰুৰী হৈ পৰিছে। এখন গণতান্ত্ৰিক দেশৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিবৰ বাবে শিশু সকলৰ শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়াৰ অতি প্ৰয়োজন। যেয়েহে বৰ্তমান প্ৰাথমিক শিক্ষা হৈছে প্ৰত্যেকজন শিশুৰ বাবে এক এক জন্মগত অধিকাৰ। প্ৰাথমিক শিক্ষা সকলো দেশৰেই সাৰ্বজনীন বাধ্যতামূলক শিক্ষা বোলা উচিত। শিশুৰ দৈহিক, মানসিক, আবেগিক, সামাজিক বিকাশৰ ক্ষেত্ৰত বিদ্যালয় শিক্ষাই গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে।

ক্ষেত্ৰ ভিত্তিক অধ্যয়নটোৰ পৰা সমগ্ৰ আলোচনাৰ পৰা কব পাৰি যে, বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা শিক্ষাৰ্থী সকলৰ সৰ্বাংগীন বিকাশত যথেষ্ট সহায় কৰিছে। শিক্ষাৰ্থী সকলক বিদ্যালয়লৈ আহিবৰ বাবে এই ব্যৱস্থাই সহায় কৰিছে। গতিকে শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰে সকলো ধৰণৰ সা-সুবিধা প্ৰদান কৰিলে শিশুই প্ৰাথমিক শিক্ষাত মানসিক, নৈতিক আদি সকলো দিশ সহজে আগুৱাই নিব পাৰিব। এই ক্ষেত্ৰত শিক্ষা প্ৰশাসন সক্ৰিয় হব লাগে।

# প্ৰশ্নপত্ৰ (Questionnaire)

1. বিদ্যালয় খনৰ নাম।
2. বৰ্তমান বিদ্যালয়খনৰ মুঠ ছাত্ৰ-ছাত্ৰী সংখ্যা কিমান?
3. বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী কিমান?
4. বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আছে নে নাই?
5. মধ্যাহ্ন ভোজনৰ বাবে ৰান্ধনী শালৰ ব্যৱস্থা আছে নে?
6. শিক্ষাৰ্থী সকলৰ বাবে বিশুদ্ধ খোৱা পানী ব্যৱস্থা আছে নে?
7. মধ্যাহ্ন ভোজন গ্ৰহণৰ বাবে খোৱা কোঠাৰ ব্যৱস্থা আছে নে?
8. ৰান্ধনী শালখন পৰিষ্কাৰ-পৰিচ্ছন্ন হয় নে?
9. বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ অৱস্থা কেনেকুৱা?
10. বিদ্যালয়ৰ চাৰিওফালৰ পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্ন হয় নে?
11. বিদ্যালয় সুস্থত মাগেয়তেৰ ব্যৱস্থা আছে নে?
12. শিশুসকলক নিয়মীয়াকৈ পুষ্টিকৰ খাদ্য খাবলৈ দিয়া হয় নে?
13. শিশুসকলক নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰা হয় নে?

# আৰ্হিৰ গ্ৰন্থপঞ্জী
# (Bibliography)


① ভাৰতীয় শিক্ষা ইতিহাস।

লিখক - বৰুৱা যতীন, লয়াৰ্চ বুক ষ্টল,
পাণবজাৰ গুৱাহাটী - 781001

② প্ৰকল্প-কাৰ্যৰ ৰচনা পদ্ধতি।

লিখক - দাস ড° পাৰুল,
ডেকা কাকলী দাস

③ অসমৰ শিক্ষা।

লিখক - ডেকা বিষেন্দ্ৰ
অশোক বুক ষ্টল গুৱাহাটী,
পানবজাৰ ২০০২ বৰ্ষ